অধ্যায় ১২ কেন্দ্রীভূত সমূহৰ আলোচনা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ কেন্দ্রীভূত সমূহ ঃ অর্থ আৰু সংজ্ঞা
১২.৩.১ কেন্দ্রীভূত সমূহৰ বৈশিষ্ট্য
১২.৩.২ কেন্দ্রীভূত সমূহে আপোনাক কি উত্তৰ দিব পাৰিব অথবা নোৱাৰে
১২.৪ কেন্দ্রীভূত সমূহৰ আলোচনা অনুষ্ঠিত কৰাৰ পদক্ষেপসমূহ
১২.৪.১ আঁতধৰোতাৰ লক্ষণসমূহ
১২.৪.২ কেন্দ্রীভূত সমূহৰ আলোচনাৰ বাবে প্রশ্নসূচী প্রস্তুতিকৰণ
১২.৫ কেন্দ্রীভূত সমূহৰ আলোচনাৰ বৈশিষ্ট্যসমূহ
১২.৬ কেন্দ্রীভূত সমূহৰ আলোচনাৰ সুবিধাসমূহ
১২.৭ কেন্দ্রীভূত সমূহৰ আলোচনাৰ অসুবিধাসমূহ
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৯ অধিক জানিবলৈ
১২.১০ অগ্রগতিৰ খতিয়ান
১২.১১ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গৱেষণাৰ এক পদ্ধতিৰূপে কেন্দ্রীভূত গোটৰ আলোচনাৰ বিষয়ে জানিব পাৰিব
- কেন্দ্রীভূত সমূহৰ আলোচনা সম্পন্ন কৰাৰ প্রয়োজনীয় পদক্ষেপসমূহ ব্যাখ্যা কৰিব পাৰিব
- কেনেকৈ ইয়াৰ বাবে প্রশ্নাৱলী প্রস্তুত কৰিব তাৰ বিষয়ে জানিব পাৰিব।

১২.২ পৰিচয়

কোনো এটা গৱেষণাত এটা নির্দিষ্ট ক্রিয়া বা পৰিস্থিতিৰ আঁৰৰ কাৰণ গৱেষকজনে জনাটো অতি প্রয়োজনীয়। সাধাৰণতে জৰীপ, সাক্ষাৎকাৰ অথবা প্রশ্নসূচীসমূহত এই দিশসমূহৰ উত্তৰ পোৱা নাযায়। তেনেক্ষেত্রত গৱেষকজনে ব্যক্তিসকলৰ মত এক সীমিত, মুক্ত আৰু নিৰাপদ সমূহ আলোচনাৰ মাজেৰে গ্রহণ কৰিবলগীয়া হয়। গুণগত গৱেষণাৰ ক্ষেত্রত কেন্দ্রীভূত সমূহে এই উদ্দেশ্য ভালদৰে পূৰণ কৰে। কেন্দ্রীভূত সমূহৰ আলোচনা হৈছে সামূহিক পর্যায়ত হোৱা

একধৰণৰ আলোচনা য'ত এক নির্দিষ্ট পৰিস্থিতিৰ বিষয়ে বিস্তৃত আৰু গভীৰ জ্ঞানসমৃদ্ধ তথ্য পোৱা যায়। উন্নত পর্যায়ত সংগঠিত কেন্দ্রীভূত সমূহৰ আলোচনাত অংশগ্রহণকাৰীসকলে ভালদৰে চিন্তা কৰি প্রশ্নসমূহৰ উত্তৰ অর্থপূর্ণভাৱে প্রদান কৰাৰ সুযোগ লাভ কৰে। এনেধৰণৰ আলোচনাত প্রশ্নকৰোতা আৰু অংশগ্রহণকাৰী উভয়ে এক সুচল পৰিৱেশত মত বিনিময় কৰাৰ সুযোগ লাভ কৰে আৰু ফলত গৱেষণাৰ পৰিণাম অর্থৱহ হয়।

অৱশ্যে কেন্দ্রীভূত সমূহৰ আলোচনাত অর্থপূর্ণ ফলাফল পোৱা গ'লেও বহু কম ক্ষেত্রতহে গৱেষকে এই পদ্ধতি ব্যৱহাৰ কৰে। ইয়াৰ কাৰণ হৈছে ইয়াত বহুকেইটা উহ্য সংৰচনা আছে। এই অধ্যায়ত তথ্য সংগ্রহৰ প্রক্রিয়াক সৰলীকৰণ কৰাৰ লগতে কেন্দ্রীভূত সমূহৰ আলোচনাৰ বিষয়ে প্রয়োজনীয় তথ্য প্রদান কৰিবলৈ চেষ্টা কৰা হৈছে।

১২.৩ কেন্দ্রীভূত সমূহ-অর্থ আৰু সংজ্ঞা

সৰল ভাষাত এটা কেন্দ্রীভূত সমূহ হৈছে এজন আঁতধৰোতাৰ নেতৃত্বত মুক্ত আলোচনাত মিলিত হোৱা ছয়ৰ পৰা দহজন পর্যন্ত ব্যক্তিৰ এটা সমূহ। ইয়াত আঁতধৰোতাজনৰ প্রধান লক্ষ্য হৈছে অংশগ্রহণকাৰীসকলৰ মাজত এক মুক্ত আৰু স্বতঃস্ফূর্ত আলোচনা আগবঢ়াই নিয়া যাতে সকলো অংশগ্রহণকাৰীয়ে যিমান পাৰে সিমান ধাৰণা আৰু মত প্রকাশৰ সুযোগ লাভ কৰে।

একেধৰণৰ পটভূমিৰ পৰা অহা একে অভিজ্ঞতাৰে পুষ্ট ব্যক্তিসকলক একত্রিত কৰি এক নির্দিষ্ট আগ্রহৰ বিষয়ক লৈ আলোচনা কৰিবলৈ এটা কেন্দ্রীভূত সমূহ হৈছে উত্তম মাধ্যম। এনেধৰণৰ সাক্ষাৎকাৰসমূহক কোৱা হৈছিল কেন্দ্রীভূত সাক্ষাৎকাৰ বা গভীৰতালৈ সোমাই কৰা সমূহৰ সাক্ষাৎকাৰ। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত এই পদ্ধতি আৱিষ্কাৰ হৈছিল। তেতিয়াৰ পৰা সমাজ বিজ্ঞানত তথ্য সংগ্রহৰ ক্ষেত্রত ই এক জনপ্রিয় পদ্ধতি।

ক্রুগাৰৰ মতে, কেন্দ্রীভূত গোটৰ আলোচনা হৈছে ভয়-ভাবুকিৰ বাতাৰৰণৰ পৰা আঁতৰত, সকলোৰে অনুমতিসাপেক্ষে এক নির্দিষ্ট আগ্রহৰ ক্ষেত্রত দৃষ্টিভংগী স্পষ্ট কৰাৰ লক্ষ্যৰে সাৱধানতাৰে পৰিকল্পনা কৰা আলোচনা।

কেন্দ্রীভূত সমূহৰ আলোচনাক অর্ধসংৰচিত সমূহ আলোচনা বুলিও কোৱা হয়। ইয়াৰদ্বাৰা অংশগ্রহণকাৰীসকলৰ মাজত মত বিনিময়ৰ জৰিয়তে সামূহিক ভিত্তিত গুণগত তথ্য পোৱা যায়।

১২.৩.১ কেন্দ্রীভূত সমূহৰ বৈশিষ্ট্য

- এটা কেন্দ্রীভূত সমূহৰ আলোচনাত সাধাৰণতে ছয়ৰ পৰা দহজন অংশগ্রহণকাৰী থাকে।
- আঁতধৰোতাজনে প্রথমে অংশগ্রহণকাৰীসকলক সৰু-সুৰা বিষয়ত আলোচনাত অংশ ল'বলৈ উৎসাহিত কৰি লাহে লাহে তেওঁলোকৰ মাজত সু-সম্পর্ক গঢ়ি তোলাত সহায় কৰে।
- আঁতধৰোতাজনে নিজে অংশগ্রহণকাৰীসকলৰ সৈতে আলোচনাত অংশ নলয়।

- কোনো এক কেন্দ্রীভূত সমূহৰ সাক্ষাৎকাৰত অংশগ্রহণকাৰীসকলে আধাঘণ্টাৰ অধিক কথা কোৱা উচিত নহয়।
- কেন্দ্রীভূত সমূহৰ আলোচনা ৰেক'র্ড কৰাটো বাধ্যতামূলক।
- কেন্দ্রীভূত সমূহৰ আলোচনাত ক্ষুদ্র বিষয়সমূহ এৰাই চলি বৃহৎ বিষয়সমূহত গুৰুত্ব দিব লাগে।
- আঁতধৰোতাজনৰ ভাৱ-ভংগী আৰু কথা-বতৰাত নিৰপেক্ষতা অৱলম্বন কৰাটো প্রয়োজনীয়।
- কেন্দ্রীভূত সমূহৰ আলোচনাত অংশগ্রহণকাৰীসকলক সদায় আলোচনাৰ উদ্দেশ্য আৰু ফলাফলৰ বিষয়ে ব্যাখ্যা কৰা হয়।
- কেন্দ্রীভূত সমূহৰ আলোচনা হৈছে এক স্বেচ্ছামূলক প্রক্রিয়া য'ত অংশগ্রহণকাৰীসকলৰ মাজত মত বিনিময় চলি থাকে।
- আলোচনাৰ এই প্রক্রিয়া হৈছে সুবিধাজনক, আৰামদায়ক আৰু নিজৰ নিজৰ মনোভাৱ ব্যক্ত কৰাৰ সময়ত অংশগ্রহণকাৰীসকলৰ বাবে মনো�ৰঞ্জনমূলক।

১২.৩.২ কেন্দ্রীভূত সমূহে আপোনাক কি উত্তৰ দিব পাৰিব অথবা নোৱাৰে

তথ্য সংগ্রহৰ পদ্ধতি হিচাপে কেন্দ্রীভূত সমূহ আনন্দদায়ক আৰু উপযোগী হ'ব পাৰে কিন্তু যদি আঁতধৰোতাজন অনভিজ্ঞ নহয় তেতিয়া এই আলোচনা নিষ্ফল হোৱাৰ আশংকা থাকে। কাৰণ এনেক্ষেত্রত অংশগ্রহণকাৰীসকলৰ মন্তব্য বিভ্রান্তিমূলক আৰু সামগ্রিক হ'ব পাৰে। গতিকে যদিহে এজন গৱেষকে ইয়াৰ ওপৰত নির্ভৰ কৰি গৱেষণাৰ ফলাফল আদায় কৰিব বিচাৰে তেনেহ'লে তেওঁ কেন্দ্রীভূত আলোচনাই কি কি উত্তৰ দিব পাৰে আৰু কি কি উত্তৰ দিব নোৱাৰে সেয়া জনা উচিত।

- **কেন্দ্রীভূত সমূহে আপোনাক কি ক'ব পাৰে?**
  - এক নির্দিষ্ট বিষয়ৰ সন্দর্ভত একাংশ লোকে কি ভাবে তাৰ আভাস দিব পাৰে।
  - এনে মত একাংশ লোকে কিয় পোষণ কৰে তাৰ কাৰণ জনাব পাৰে।
  - গৱেষণাৰ পৰিকল্পনা আৰু শৈলী প্রস্তুত কৰাত সহায় কৰে।
  - সমস্যাৰ পোণপটীয়া মূল্যায়নৰ অৱকাশ দিয়ে।
  - গৱেষণাৰ ৰণনীতি প্রস্তুত কৰাত এক অন্তর্দৃষ্টি প্রদান কৰে।
- **কেন্দ্রীভূত সমূহে আপোনাক কি ক'ব নোৱাৰে?**
  - ব্যক্তি সন্দর্ভত নির্ভৰযোগ্য তথ্য।
  - সময়ৰ সোঁতত এক নির্দিষ্ট বিষয়ৰ কেনেকৈ পৰিৱর্তন ঘটিল তাৰ নির্দিষ্ট তথ্য।
  - আন ব্যক্তিসমূহৰ ক্ষেত্রতো প্রয়োগ কৰিব পৰা কোনো তথ্য।
  - অধ্যয়নৰ বাবে যধে মধে নমুনা।

১২.৪ কেন্দ্রীভূত সমূহৰ আলোচনা অনুষ্ঠিত কৰাৰ পদক্ষেপসমূহ

সাধাৰণতে কেন্দ্রীভূত সমূহৰ আলোচনা অনুষ্ঠিত কৰাৰ চাৰিটা নির্দিষ্ট ঢাপ আছে। সেয়া হৈছে-

- প্রশ্ন তৈয়াৰ।
- অংশগ্রহণকাৰীৰ নির্বাচন আৰু প্রস্তুতি।
- সাক্ষাৎকাৰ অনুষ্ঠিত কৰা।
- তথ্যৰ বিশ্লেষণ।

এইসমূহ তলত আলোচনা কৰা হ'ল-

- **প্রশ্ন তৈয়াৰ ঃ** কেন্দ্রীভূত আলোচনাৰ ক্ষেত্রত গৱেষক বা আঁতধৰোতাজনৰ সর্বপ্রথম কাম হৈছে আলোচনাৰ সময়ত কৰিবলগীয়া প্রশ্নসমূহ প্রস্তুত কৰি লোৱা। সাধাৰণতে গৱেষকজনে ৮ৰ পৰা ১২ টালৈ প্রশ্ন প্রস্তুত কৰি লয়। এই প্রশ্নসমূহ সৰল, চমু, মুক্ত পৰিসৰৰ আৰু পোণপটীয়া হ'ব লাগে কাৰণ ইয়াত অংশগ্রহণকাৰীসকলে প্রশ্নসমূহ দেখা পোৱাৰ সম্ভাৱনা নাথাকে। সাধাৰণতে কেন্দ্রীভূত আলোচনাত তিনি ধৰনৰ প্রশ্ন কৰা হয়-জৰিত প্রশ্ন (অংশগ্রহণকাৰীসকলৰ পৰিচয়পর্ব যাতে তেওঁলোকে আলোচনাৰ বিষয়ে জনাৰ সুযোগ লাভ কৰে)। অনুসন্ধানমূলক প্রশ্ন (যিমান পাৰি সিমান তথ্য লাভ কৰাৰ বাবে) আৰু অৱশেষত নির্গমনৰ প্রশ্ন (আলোচনাৰ মাজত কিবা ৰৈ গৈছিল নে কি সেয়া জানিবলৈ)।
- **অংশগ্রহণকাৰীৰ নির্বাচন আৰু প্রস্তুতি ঃ** আদর্শগতভাৱে এটা কেন্দ্রীভূত সমূহৰ আলোচনাত অংশগ্রহণকাৰীসকলে ইজনে সিজনক নাজানিলেও তেওঁলোক একেধৰণৰ পটভূমি থকাৰ লগতে ইজনে সিজনৰ সৈতে সহজ হ'ব পাৰিব লাগিব। গতিকে এটা কেন্দ্রীভূত সমূহৰ আলোচনাৰ পৰা যিমান পাৰি সিমান তথ্য বাহিৰ কৰিবলৈ গৱেষকৰ হাতত সমগোত্রীয় অংশগ্রহণকাৰীৰ সমূহ থকাটো দৰকাৰ। এইক্ষেত্রত গুৰুত্ব প্রদান কৰা কেতবোৰ প্রয়োজনীয় দিশ হৈছে লিংগ, বয়স, সমাজত স্থান, আর্থিক স্থিতি আদি। এইকেইটা দিশৰ ওপৰত গুৰুত্ব প্রদান কৰি গৱেষকে ব্যক্তি নির্বাচন অথবা বাতিল কৰে।

  এই নির্বাচনী প্রক্রিয়া কেইবাটাও ধৰণে কৰা হয়-ক) মনোনয়ন (গৱেষণাৰ বিষয়ে ধাৰণা থকা ব্যক্তিয়ে প্রয়োজনীয় বুলি ভবা ব্যক্তিৰ মনোনয়ন কৰিব পাৰে), খ) হঠাৎ কৰা নির্বাচন (এক বৃহৎ কিন্তু নির্দিষ্ট সমূহৰ পৰা প্রয়োজনীয়তা থকা পর্যন্ত গৱেষকে অংশগ্রহণকাৰী নির্বাচন কৰিব পাৰে), গ) এটা সমূহৰ সকলো সদস্য (কিছুমান ক্ষেত্রত এটা প্রচলিত সমূহৰ সকলো সদস্যক নির্বাচন কৰিব পৰা যায়, উদাহৰণস্বৰূপে কোনো বহুজাতিক কোম্পানীৰ স্বত্তাধিকাৰীসকল), ঘ) একে স্থানৰ (ইয়াত ব্যক্তিসকলক তেওঁলোকৰ ভূমিকা, প্রস্থিতি, ব্যৱসায়িক স্থান অথবা পৰিস্থিতিৰ ওপৰত নির্ভৰ কৰি গৱেষকে নির্বাচন কৰে), ঙ) স্বেচ্ছামূলক (যেতিয়া নির্বাচনৰ চর্ত বহল পৰিসৰৰ হয়)।

কেন্দ্রীভূত সমূহৰ নির্বাচনৰ পিছত গৱেষকে সকলো অংশগ্রহণকাৰীক যোগাযোগ কৰিব লাগে তেওঁলোকৰ আগ্রহ আৰু সময় সুবিধাৰ খতিয়ান ল'ব লাগে। ইয়াৰ ওপৰত ভিত্তি কৰিয়ে কেন্দ্রীভূত সমূহৰ আলোচনাৰ স্থান আৰু সময় নির্ধাৰণ কৰি সকলোকে খবৰ দিব লাগে। অংশগ্রহণকাৰীসকলক সাক্ষাৎকাৰৰ দৈর্ঘ আৰু আলোচনা কৰিবলগীয়া বিষয়ৰ সন্দর্ভতো অৱগত কৰাটো প্রয়োজন। তেওঁলোকে যাতে সহজভাৱে সকলো গ্রহণ কৰিব পাৰে তালৈ চকু দিব লাগে।

- **সাক্ষাৎকাৰ অনুষ্ঠিত কৰা ঃ** এটা আদর্শ কেন্দ্রীভূত সমূহ এজন আঁতধৰোতাই এজন সহযোগীৰ সহায়ত পৰিচালনা কৰে। সাধাৰণতে গৱেষকজনেই আঁতধৰোতাৰ ভূমিকা গ্রহণ কৰে আৰু সমূহৰ মাজত বিভিন্ন আলোচনা আগবঢ়াই নিয়ে। সহযোগী আঁতধৰোতাজনে টোকাবোৰ লয় আৰু সমগ্র আলোচনা প্রক্রিয়া ৰেক'র্ড কৰে। কোনো আলোচনাৰ আৰম্ভনিতে এজন আঁতধৰোতাই কৰিবলগীয়া প্রথম কাম হৈছে সকলো অংশগ্রহণকাৰীৰ সন্মতি আদায় কৰা। লগতে তেওঁ অংশগ্রহণকাৰীসকলৰ মাজত এক বন্ধুত্বসুলভ পৰিৱেশ গঢ়ি তুলি সকলোৱে যাতে নিজৰ নিজৰ মত প্রকাশ কৰাৰ সুবিধা লাভ কৰে তাত গুৰুত্ব প্রদান কৰিব লাগে। তেওঁ আলোচনাৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰু নিয়ম-নীতিসমূহ ব্যাখ্যা কৰে লগতে নির্ধাৰিত সময়সীমাৰ ভিতৰতে যাতে সকলো বিষয় সামৰিব পৰা যায় তালৈ চকু দিয়ে। অংশগ্রহণকাৰীসকল যোৱাৰ পিছত আঁতধৰোতা আৰু সহযোগী আঁতধৰোতাসকলে টোকাসমূহ আৰু ৰেক'র্ড কৰা যন্ত্রসমূহ পৰীক্ষা কৰি ইয়াৰ সৈতে তাৰিখ, সময় আৰু সমূহৰ নাম সংলগ্ন কৰে।
- **তথ্যৰ বিশ্লেষণ ঃ** সংগ্রহ কৰা তথ্যৰ বিশ্লেষণ হৈছে এজন আঁতধৰোতাৰ বাবে আটাইতকৈ গুৰুত্বপূর্ণ আৰু সাৱধানতাৰে সম্পন্ন কৰিবলগীয়া কাম। সর্বপ্রথমে অংশগ্রহণকাৰীসকলৰ পৰা লাভ কৰা তথ্য সকলো তথ্য গৱেষণাৰ উপযোগী পর্যায়লৈ নিব লাগে। ইয়াৰ পিছত গৱেষকে বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰি তথ্যসমূহৰ বিশ্লেষণ কৰিব পাৰে যেনে এইসমূহক বিভিন্ন ভাগত নামকৰণ কৰি ভগাই লোৱা, বিষয় অনুসৰি শাখা আৰু উপ শাখাত বিভক্ত কৰা বা একেটা বিষয়ৰ বিভিন্ন দৃষ্টিভংগী একত্রিত কৰা। এইসমূহ শৃংখলাৱদ্ধভাবে সংগঠিত কৰি লোৱাৰ পিছতে তথ্য পৰিৱেশনৰ বাবে সাজু হৈ পৰে।

১২.৪.১ আঁতধৰোতাৰ লক্ষণসমূহ

গৱেষক বা আঁতধৰোতাজন হৈছে কেন্দ্রীভূত সমূহৰ আলোচনাৰ আটাইতকৈ গুৰুত্বপূর্ণ ব্যক্তি। তেঁৱেই আলোচনাৰ গাঁথনি তৈয়াৰ কৰে, অংশগ্রহণকাৰীৰ নির্বাচন কৰে, আলোচনা প্রক্রিয়া আগবঢ়াই নিয়ে আৰু আলোচনাৰ পৰা লাভ কৰা তথ্য বিশ্লেষণ কৰে। গতিকে কেন্দ্রীভূত সমূহৰ আলোচনাৰ ক্ষেত্রত আঁতধৰোতাৰ ভূমিকা বা লক্ষণসমূহ জানি লোৱাটো খুবেই দৰকাৰ। এইসমূহ তলত আলোচনা কৰা হ'ল-

- আঁতধৰোতাজন এনে এজন ব্যক্তি হ'ব লাগে যিজনে মনোযোগ, সহমর্মিতা আৰু সংৱেদনশীলতাৰে সকলো কথা শুনিব পাৰে।
- তেওঁৰ একেসময়তে শুনাৰ আৰু চিন্তা কৰাৰ ক্ষমতা থাকিব লাগিব।
- কেন্দ্রীভূত সমূহত হোৱা আলোচনাৰ বিষয় সন্দর্ভত আঁতধৰোতাজনৰ সম্যক জ্ঞান থকাটো দৰকাৰ।
- আঁতধৰোতাজনে প্রতিজন অংশগ্রহণকাৰীৰ সামাজিক মান, শৈক্ষিক অর্হতা আৰু অভিজ্ঞতা নির্বিশেষে সমান ব্যৱহাৰ কৰাটো বাঞ্চনীয়।
- আঁতধৰোতাজনে নিৰপেক্ষ ভূমিকা গ্রহণ কৰি ব্যক্তিগত মত আৰু দ্বেষভাৱ আঁতৰাই ৰাখিব লাগে।
- মুকলি মনেৰে আলোচনা অনুষ্ঠিত কৰিবলৈ অংশগ্রহণকাৰীসকলে আঁতধৰোতাজনৰ সৈতে সহজ অনুভৱ কৰিব লাগিব। একেসময়তে আলোচনা আগবঢ়াই নিব পৰাকৈ তেওঁক কর্তৃত্ব প্রদান কৰাটো বাঞ্চনীয়।
- আলোচনাৰ সময়ত উদ্ভৱ হ'ব পৰা যিকোনো সমস্যা অথবা স্পর্শকাতৰ বিষয় চম্ভালি ল'বলৈ আঁতধৰোতাজন সক্ষম হ'ব লাগিব।
- সাধাৰণতে আঁতধৰোতাজনে আলোচনাত অংশগ্রহণ নকৰে আৰু অন্য প্রসংগলৈ আলোচনাক টানি নিব পৰা প্রশ্ন এৰাই চলে। লগতে তেওঁ বিচৰা প্রত্যুত্তৰ পাবলৈ ইংগিত প্রদান কৰা কার্যৰ পৰাও বিৰত থাকে।

১২.৪.২ কেন্দ্রীভূত সমূহৰ আলোচনাৰ বাবে প্রশ্নাৱলীৰ প্রস্তুতিকৰণ

সাধাৰণতে কেন্দ্রীভূত সমূহৰ আলোচনাৰ প্রশ্নসমূহ চমু, সৰল, মুক্ত পৰিসৰৰ আৰু পোণপটীয়া হয়। আলোচনাৰ বিষয় সামৰি আঁতধৰোতাজনে ৬ৰ পৰা ১০টা পর্যন্ত প্রশ্ন প্রস্তুত কৰে। সাধাৰণতে সাধাৰণ বিষয়ৰ পৰা নির্দিষ্ট বিষয়লৈ আলোচনাক গতি প্রদান কৰা মুক্ত পৰিসৰৰ প্রশ্ন ইয়াত কৰা হয়। প্রশ্ন কৰাৰ ক্ষেত্রত এক ধাৰাবাহিক দৃষ্টিভংগী গ্রহণ কৰা হয়। ইয়াৰোপৰি নেতিবাচক কথাৰ পৰিৱর্তে অংশগ্রহণকাৰীসকলক প্রথমেই এক নির্দিষ্ট বিষয়ৰ ওপৰত ইতিবাচক প্রশ্ন কৰা হয়। কেন্দ্রীভূত সমূহৰ আলোচনাৰ বাবে কেনেকৈ প্রশ্ন প্রস্তুত কৰিব তাৰ এক উদাহৰণ তলত দিয়া হ'ল-

- **বগা ছালৰ ওপৰত কেন্দ্রীভূত সমূহৰ বাবে প্রশ্ন-**

  জড়িত প্রশ্ন (অংশগ্রহণকাৰীসকলক সহজ কৰিবলৈ)

  - আপোনাৰ সকলোতকৈ প্রিয় ফেয়াৰনেছ ক্রীম কি?
  - বলিউডৰ নায়িকাসকলৰ বগা ছাল থকা উচিত বুলি আপুনি ভাবেনে?

  অনুসন্ধানমূলক প্রশ্ন-(আলোচনাৰ মূল বিষয়)

  - আপোনাৰ পিন্ধা-উৰাৰ ওপৰত কাৰ বিশেষ প্রভাৱ পৰিছে?
  - ফেয়াৰনেছ ক্রীমৰ দৈনিক ব্যৱহাৰৰ ভাল আৰু বেয়া দিশসমূহ ফাঁহিয়াই চোৱা।

- সাজ-সজ্জাৰ বাবে আপুনি কিমান সময় লয়?
- ফেয়াৰনেছ সামগ্রীয়ে ছালত কুপ্রভাৱ পেলায় বুলি আপুনি ভাবেনে?
- আপোনাৰ নিজৰ ছালৰ ৰং সন্দর্ভত আপোনাৰ অনুভৱ কি?

১২.৫ কেন্দ্রীভূত সমূহৰ আলোচনাৰ বৈশিষ্ট্যসমূহ

কেন্দ্রীভূত সমূহৰ আলোচনাক গৱেষণাৰ এক আহিলাৰূপে ব্যৱহাৰ কৰা হয় যাতে গৱেষকে নিজে পৰিস্থিতিৰ সৈতে একাত্ম হোৱাৰ সুযোগ লাভ কৰে। কেন্দ্রীভূত সমূহৰ আটাইতকৈ উল্লেখযোগ্য দিশ হৈছে স্বেচ্ছামূলক আলোচনাৰ মাধ্যমত বিভিন্ন সমস্যাৰ সমাধান বিচাৰি উলিওৱা। এনেধৰণৰ আলোচনাৰ মাজেৰে সামূহিক মনোবৃত্তি আৰু বিশ্বাসৰ বিষয়েও জানিব পৰা যায়। তথ্য সংগ্রহৰ আন উপায়েৰে এই লক্ষ্যত উপনীত হোৱাটো অসম্ভৱ।

সাধাৰণতে এজন গৱেষকে কেন্দ্রীভূত সমূহৰ আলোচনাৰ প্রয়োগ সমস্যাৰ অধ্যয়নৰ প্রাৰম্ভিক পর্যায়ত কৰে। অধ্যয়নৰ অনুসন্ধানমূলক পর্যায়ত এই পদ্ধতি উপযোগী। তদুপৰি জটিল ধাৰণা আৰু আচাৰ-আচৰণৰ বিষয়ে অধ্যয়ন কৰাৰ ক্ষেত্রত কেন্দ্রীভূত গোট যথেষ্ট সহায়ক হয়। ইয়াৰ মুক্ত পৰিসৰৰ প্রশ্নসমূহে গৱেষকক সমস্যাৰ গভীৰতাত প্রৱেশৰ সুবিধা প্রদান কৰে। একেসময়তে অংশগ্রহণকাৰীসকলৰ ভিন্ন মতে পৰিস্থিতিৰ ভিন্নতা আৰু সমানতা বুজাত গৱেষকক সহায় কৰে।

কেন্দ্রীভূত সমূহৰ আলোচনাই গৱেষকক পৰৱর্তী পর্যায়ৰ গৱেষণা প্রক্রিয়াৰ গাঁথনি তৈয়াৰ কৰাত সহায় কৰে। গুণগত তথ্যৰ সন্দর্ভত গৱেষকে আহৰণ কৰা জ্ঞান নির্ভৰ কৰে আলোচনাৰ ফলাফলৰ বিশ্লেষণৰ ওপৰত। ইয়াৰোপৰি অংশগ্রহণকাৰীসকলে যে মত প্রকাশ কৰাৰ ক্ষেত্রত সদায় সততা অৱলম্বন নকৰিবও পাৰে সেই বিষয়েও গৱেষকজন সদায় সতর্ক থাকিব লাগে। সেইদৰে ভুল বিশ্লেষণ আৰু একপক্ষীয় সিদ্ধান্তই পৰৱর্তী গৱেষণা প্রক্রিয়া ক্ষতিগ্রস্ত কৰিব পাৰে। সেইবাবে কেন্দ্রীভূত সমূহৰ আলোচনা সর্বাধিক ফলপ্রসূ তেতিয়াহে হ'ব পাৰে যেতিয়া গৱেষকজন অভিজ্ঞ, সজ্ঞান আদি গুণেৰে গুণৱান হোৱাৰ লগতে অংশগ্রহণকাৰীসকলৰ মত সহজে উলাই নকৰা বিধৰ হয়।

১২.৬ কেন্দ্রীভূত সমূহৰ আলোচনাৰ সুবিধাসমূহ

- অংশগ্রহণকাৰীসকলে স্বাভাৱিকভাৱেই মত বিনিময় কৰে ইজনে সিজনৰ পৰা প্রভাৱিত হয়, এই কথাৰ সুবিধা গৱেষকজনে আদায় কৰিব পাৰে।
- আলোচনাৰ সময়ত অংশগ্রহণকাৰীসকলে ইজনে সিজনৰ কথাৰ সৈতে সন্মত হোৱা নোহোৱাক লৈ অধিক তথ্য আৰু অধিক শক্তি আহৰণ কৰাৰ থল থাকে।
- কেন্দ্রীভূত সমূহৰ আলোচনাই ব্যক্তিসকলৰ ধাৰণা, মনোভাৱ আৰু অভিজ্ঞতা বুজাত সহায় কৰে।
- ব্যক্তিগত সাক্ষাৎকাৰৰ বিপৰীতে ইয়াত তথ্য দ্রুতভাৱে কম খৰছত আহৰণ কৰিব পাৰি।

- গৱেষকে সাক্ষাৎকাৰদাতাসকলৰ পৰা পোণপটীয়াকৈ তথ্য আহৰণ কৰিব পাৰে। কথা-বতৰাৰ লগতে আলোচনাৰ সময়ত অংশগ্রহণকাৰীসকলৰ ভাৱ-ভংগীৰ পৰাও তথ্য আহৰণ কৰিব পৰা যায়।
- এইধৰনৰ সাক্ষাৎকাৰ অত্যন্ত নমনীয় ধৰণৰ হয় আৰু ইয়াত বৃহৎ সংখ্যক লোক, বিভিন্ন প্রেক্ষাপট আৰু বিষয় জৰিত হৈ থাকিব পাৰে।
- ইয়াত তথ্য বিশ্লেষণৰ প্রক্রিয়া একেবাৰে সহজ আৰু ফলাফলো সহজে বুজি পোৱা বিধৰ হয়।

১২.৭ কেন্দ্রীভূত সমূহৰ আলোচনাৰ অসুবিধাসমূহ

- এজন এজনকৈ লোৱা সাক্ষাৎকাৰৰ বিপৰীতে কেন্দ্রীভূত সমূহৰ আলোচনাৰ পৰিচালনা অধিক কঠিন হয়।
- এনেধৰণৰ আলোচনাত অবাঞ্ছিত সংঘাত, শক্তিযুঁজ আৰু প্রত্যাহ্বানৰ সৃষ্টি হ'ব পাৰে।
- ইয়াত আন অংশগ্রহণকাৰীক ম্লান পেলাই এজন বা দুজন অংশগ্রহণকাৰীয়ে সমগ্র আলোচনা প্রক্রিয়া দমন কৰিব পাৰে।
- কেন্দ্রীভূত সমূহৰ আলোচনাত আঁতধৰোতাজন দক্ষ আৰু অভিজ্ঞ নহ'লে তেওঁ সজ্ঞানে অথবা অজ্ঞানে অংশগ্রহণকাৰীসকলৰ প্রতিক্রিয়াৰ ভুল ব্যাখ্যা কৰিব পাৰে।
- এটা নির্দিষ্ট বিষয় সন্দর্ভত অংশগ্রহণকাৰীসকল প্রতিবাৰে প্রতিক্রিয়া প্রকাশ কৰাৰ সময়ত সৎ বা নিশ্চিত নহ'বও পাৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কেন্দ্রীভূত সমূহ কি?

.....

.....

প্রশ্ন নং ২ ঃ আঁতধৰোতাৰ প্রধান লক্ষ্য কি?

.....

.....

প্রশ্ন নং ৩ ঃ কেন্দ্রীভূত সমূহৰ আলোচনাৰ এটা সংজ্ঞা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ কেন্দ্রীভূত সমূহৰ আলোচনাৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ কেন্দ্রীভূত সমূহে কি প্রশ্নৰ উত্তৰ দিব পাৰে?

.....

.....

প্রশ্ন নং ৬ ঃ কেন্দ্রীভূত সমূহে কি প্রশ্নৰ উত্তৰ দিব নোৱাৰে?

.....

.....



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কোনো এটা গৱেষণাত এটা নির্দিষ্ট ক্রিয়া বা পৰিস্থিতিৰ আঁৰৰ কাৰণ গৱেষকজনে জনাটো অতি প্রয়োজনীয়।
- কেন্দ্রীভূত সমূহৰ আলোচনা হৈছে সামূহিক পর্যায়ত হোৱা একধৰণৰ আলোচনা য'ত এক নির্দিষ্ট পৰিস্থিতিৰ বিষয়ে বিস্তৃত আৰু গভীৰ জ্ঞানসমৃদ্ধ তথ্য পোৱা যায়।
- সৰল ভাষাত এটা কেন্দ্রীভূত সমূহ হৈছে এজন আঁতধৰোতাৰ নেতৃত্বত মুক্ত আলোচনাত মিলিত হোৱা ছয়ৰ পৰা দহজন পর্যন্ত ব্যক্তিৰ এটা সমূহ।
- গৱেষক বা আঁতধৰোতাজন হৈছে কেন্দ্রীভূত সমূহৰ আলোচনাৰ আটাইতকৈ গুৰুত্বপূর্ণ ব্যক্তি। তেঁৱেই আলোচনাৰ গাঁথনি তৈয়াৰ কৰে, অংশগ্রহণকাৰীৰ নির্বাচন কৰে, আলোচনা প্রক্রিয়া আগবঢ়াই নিয়ে আৰু আলোচনাৰ পৰা লাভ কৰা তথ্য বিশ্লেষণ কৰে।
- একেধৰণৰ পটভূমিৰ পৰা অহা একে অভিজ্ঞতাৰে পুষ্ট ব্যক্তিসকলক একত্রিত কৰি এক নির্দিষ্ট আগ্রহৰ বিষয়ক লৈ আলোচনা কৰিবলৈ এটা কেন্দ্রীভূত সমূহ হৈছে উত্তম মাধ্যম।
- আঁতধৰোতাজনে প্রথমে অংশগ্রহণকাৰীসকলক সৰু-সুৰা বিষয়ত আলোচনাত অংশ ল'বলৈ উৎসাহিত কৰি লাহে লাহে তেওঁলোকৰ মাজত সু-সম্পর্ক গঢ়ি তোলাত সহায় কৰে।
- আঁতধৰোতাজনে নিজে অংশগ্রহণকাৰীসকলৰ সৈতে আলোচনাত অংশ নলয়।
- কেন্দ্রীভূত সমূহৰ আলোচনাত আঁতধৰোতাজন দক্ষ আৰু অভিজ্ঞ নহ'লে তেওঁ সজ্ঞানে অথবা অজ্ঞানে অংশগ্রহণকাৰীসকলৰ প্রতিক্রিয়াৰ ভুল ব্যাখ্যা কৰিব পাৰে।
- সাধাৰণতে কেন্দ্রীভূত সমূহৰ আলোচনা অনুষ্ঠিত কৰাৰ চাৰিটা নির্দিষ্ট ঢাপ আছে। সেয়া হৈছে- প্রশ্ন তৈয়াৰ, অংশগ্রহণকাৰীৰ নির্বাচন, সাক্ষাৎকাৰ অনুষ্ঠিত কৰা আৰু তথ্যৰ বিশ্লেষণ।
- গৱেষক বা আঁতধৰোতাজন হৈছে কেন্দ্রীভূত সমূহৰ আলোচনাৰ আটাইতকৈ গুৰুত্বপূর্ণ ব্যক্তি।
- আঁতধৰোতাজন এনে এজন ব্যক্তি হ'ব লাগে যিজনে মনোযোগ, সহমর্মিতা আৰু সংৱেদনশীলতাৰে সকলো কথা শুনিব পাৰে।